সুধাকণ্ঠৰ শৈশৱৰ স্মৃতি যুগমীয়া কৰাৰ অনন্য প্ৰয়াস বলুংবাসীৰ

■ ***প্ৰথম পৃষ্ঠাৰ পৰা*** অৰুণাচলৰ ভিন্ন জাতি-জনগোষ্ঠীৰ সহজ-সৰল মানুহখিনিয়ে আপোন কৰি লৈছিল মাটি আৰু মানুহৰ শিল্পীগৰাকীক। পাহাৰৰ ভাই-ভনীৰ এই অকৃত্ৰিম মৰম-ভালপোৱা যাযাবৰী শিল্পী ভূপেন হাজৰিকায়ো বুকুত কঢ়িয়াই লৈ ফুৰিছিল আজীৱন। অৱশ্যে পূবৰ সূৰ্য উঠা দেশ অৰুণাচলৰ সৈতে ভূপেন হাজৰিকাৰ এয়াই প্ৰথম সম্বন্ধ নাছিল। জন্মস্থান শদিয়াৰ সমীপৱৰ্তী অৰুণাচলৰ এখন গাঁৱত শৈশৱ কটাইছিল তেওঁ। জনজাতি গাভৰুৰ কোলাই-বোকোচাই উঠি সময় পাৰ কৰিছিল পৰৱৰ্তী সময়ৰ বিশ্বখ্যাত শিল্পী সুধাকণ্ঠ ভূপেন হাজৰিকাই। এইখন গাঁৱতে এতিয়া বৈছে উচাহৰ ধল। কাৰণ ধলা-শদিয়াৰ মাজত নিৰ্মিত দলংখন উদ্বোধন হোৱাৰ লগে লগে এইখন গাঁৱৰ বাসিন্দাসকলৰ এটা বহুদিনীয়া আশা পূৰণৰ পথ প্ৰশস্ত হৈ পৰিল। এইখন ড° ভূপেন হাজৰিকা সেতুৰ ওপৰেৰে কাইলৈ গাঁওখনলৈ কঢ়িয়াই নিয়া হ’ব সুধাকণ্ঠৰ প্ৰতিমূৰ্তি। ইতিমধ্যে বলুং নামৰ গাঁওখনত পূৰ্ণোদ্যমে চলিছে ভূপেন হাজৰিকা প্ৰকল্প সম্পূৰ্ণ কৰাৰ কাম আৰু ইয়াতে প্ৰতিমূৰ্তি স্থাপন কৰি বলুংবাসীয়ে যুগমীয়া কৰিব মৰমৰ শিল্পীজনাৰ মধুৰ স্মৃতি।

কৃষ্টি-সংস্কৃতিৰ মাধ্যমেৰে পাহাৰ-ভৈয়ামৰ মাজত সম্প্ৰীতি-সমন্বয়ৰ সেতু গঢ়োতা ভূপেন হাজৰিকাৰ নামত উৎসৰ্গিত ধলা-শদিয়া মহাসেতুৰে মহান শিল্পীগৰাকীৰ সপোন বাস্তৱায়িত কৰি দুখন ৰাজ্যৰ মাজত সম্প্ৰীতিৰ এনাজৰীডাল সুদৃঢ় কৰাৰ দিশে আগবাঢ়িছে। অপেক্ষা আছিল মাথোঁ সেতু উদ্বোধনলৈ। কালি দেশৰ আটাইতকৈ দীঘল এই সেতুখন উদ্বোধন হোৱাৰ পিচতেই আনন্দত আত্মহাৰা হৈ পৰিছে অৰুণাচল প্ৰদেশবাসী। কিয়নো দুখন ৰাজ্যৰ সমন্বয় গঢ়াৰ ক্ষেত্ৰত অনবদ্য ভূমিকা গ্ৰহণ কৰা মহান শিল্পীগৰাকীৰ স্মৃতি যাউতিযুগীয়া কৰাৰ বাবে অৰুণাচলবাসীক বাট মুকলি কৰি দিলে ধলা-শদিয়া মহাসেতুৱে।

তিনিচুকীয়া জিলাৰ শদিয়াৰ সুধাকণ্ঠৰ জন্মস্থান শান্তিপুৰৰ পৰা ১৫ কিলোমিটাৰ নিলগৰ অৰুণাচল প্ৰদেশৰ ল’ৱাৰ ডিবাং ভেলী জিলাৰ এখন সৰু গাঁও বলুং। ইয়াতে সুধাকণ্ঠই পাৰ কৰিছিল সোণোৱালী শৈশৱ। এয়া ৯০ বছৰ পূৰ্বৰ কথা। তেতিয়া সুধাকণ্ঠৰ বয়স আছিল ৯ মাহ। বলুঙত সুধাকণ্ঠৰ শৈশৱৰ অনেক মধুৰ কাহিনী জড়িত হৈ আছে। এবাৰ কেইগৰাকীমান আদি যুৱতীৰ সৈতে খেলি থকা ৯ মহীয়া ভূপেন হাজৰিকাক যুৱতীকেইগৰাকীয়ে নিশালৈকে ঘৰত ৰখাত তেওঁ সন্ধানহীন হোৱা বুলি মাতৃয়ে আৰক্ষীৰ কাষ চাপিছিল। সুধাকণ্ঠৰ হাঁহি, ধেমালি, দুষ্টালিৰ অনেক স্মৃতি আজিও সজীৱ হৈ আছে বলুং গাঁৱত। বলুঙৰ সৈতে থকা সুধাকণ্ঠৰ সেই স্মৃতিবোৰ সজীৱ কৰি ৰখাৰ লগতে অৰুণাচলবাসীৰ মাজত তেওঁক উজ্জীৱিত কৰি ৰখাৰ উদ্দেশ্যে অৰুণাচল প্ৰদেশ চৰকাৰৰ গৱেষণা বিভাগে অৰুণাচল প্ৰদেশ সাক্ষৰতা সমাজৰ সহযোগত বলুং গাঁৱত নিৰ্মাণ কৰিছে এটা প্ৰকল্প। ‘ভূপেন হাজৰিকা মেম’ৰিয়েল’ নামৰ এই প্ৰকল্পৰ প্ৰস্তাৱ আগবঢ়াইছিল প্ৰাক্তন মুখ্যমন্ত্ৰী নাবাম টুকীয়ে। এই প্ৰকল্পত স্থাপন কৰিবলগীয়া সুধাকণ্ঠৰ দহ ফুট উচ্চতাৰ ব্ৰঞ্জৰ মূৰ্তিটো ধলা-শদিয়া দলঙেদি পাৰ কৰাই নি প্ৰতিষ্ঠা কৰাৰ সংকল্প লৈছিল অৰুণাচল প্ৰদেশবাসীয়ে। যোৱা বছৰৰ ৩১ জানুৱাৰীত অৰুণাচল প্ৰদেশ চৰকাৰৰ গৱেষণা বিভাগ, অৰুণাচল প্ৰদেশ সাক্ষৰতা সমাজ আৰু ভূপেন হাজৰিকা ট্ৰাষ্টৰ প্ৰতিনিধিৰ দলে বলুঙত এই প্ৰকল্পৰ স্থান নিৰ্ধাৰণ কৰি নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল। কালি ধলা-শদিয়া দলং উদ্বোধন কৰা হ’ল। অৰুণাচলবাসীৰ দীঘলীয়া অপেক্ষাৰ অন্ত পৰিল। সুধাকণ্ঠৰ নামত উৎসৰ্গিত ধলা-শদিয়া দলঙৰ ওপৰেদি কাইলৈ তেওঁৰেই প্ৰতিমূৰ্তি কঢ়িয়াই নি সোণালী অধ্যায়ৰ সূচনা কৰিব অৰুণাচলবাসীয়ে। দহ ফুট উচ্চতাৰ সুধাকণ্ঠৰ এই ব্ৰঞ্জৰ প্ৰতিমূৰ্তিটো নিৰ্মাণ কৰিছে অসমৰ পৰিচিত ভাস্কৰ বীৰেন সিংহই। পুৰণি বলুং গাঁওখন ১৯৫০ চনৰ বৰভূঁইকঁপত বিধ্বস্ত হোৱাৰ পিচত সেই স্থানৰ পৰা প্ৰায় ৩-৪ কিলোমিটাৰ নিলগত পুনৰ স্থাপন কৰা হৈছিল গাঁওখন। আজি সেই বলুং গাঁৱকে কেন্দ্ৰ কৰি সুদৃঢ় হ’বলৈ আগবাঢ়িছে অসম আৰু অৰুণাচলৰ সম্প্ৰীতি-সমন্বয়ৰ এনাজৰীডাল, য’ত মধ্যমণি হিচাপে জিলিকিছে ড° ভূপেন হাজৰিকা।

বান্ধৰ উচ্চতা হ্ৰাসেৰে বিকল্প আৰ্হিৰ প্ৰস্তাৱ

■ ***প্ৰথম পৃষ্ঠাৰ পৰা*** স্পষ্ট হৈ পৰিছে। এই শুনানিৰ সময়তে গুচৰীয়া পক্ষৰ অধিবক্তাই দাখিল কৰা প্ৰকল্পৰ এক বিকল্প আৰ্হি ন্যায়াধিকৰণে বিবেচনাৰ বাবে গ্ৰহণ কৰে। গুৱাহাটী নিবাসী বিশেষজ্ঞ অভিযন্তা প্ৰদীপ ভূঞাই তৈয়াৰ কৰা এই আৰ্হিত প্ৰকল্পৰ উচ্চতা ১১৫ মিটাৰৰ পৰা ৮৫ মিটাৰলৈ হ্ৰাস কৰাৰ কথা কোৱা হৈছে। ইয়াৰ দ্বাৰা নদীখনত পানীৰ নিয়মীয়া প্ৰবাহত কোনোধৰণৰ প্ৰভাৱ নপৰে বুলি ভূঞাই উল্লেখ কৰিছে। এই বিকল্প আৰ্হি বিবেচনাৰ বাবে গ্ৰহণ কৰি ন্যায়াধিকৰণে উক্ত আৰ্হি সন্দৰ্ভত যাৱতীয় সকলো কাৰিকৰী তথা অভিযান্ত্ৰিক বিশ্লেষণ দুসপ্তাহৰ ভিতৰত ন্যায়াধিকৰণৰ ওচৰত দাখিল কৰাৰ বাবে নিৰ্দেশ দিয়ে। ন্যায়াধীশ এছ পি ৱাংৰি আৰু বিশেষজ্ঞ সদস্য পি চি মিশ্ৰৰ বিচাৰপীঠে দুদিনীয়াকৈ গ্ৰহণ কৰা এই শুনানিৰ সময়ত চৰকাৰী পক্ষৰ লগতে গুচৰীয়া পক্ষৰ তৰফৰ পৰা ২০০০ মেগাৱাট ক্ষমতাসম্পন্ন নামনি সোৱণশিৰি প্ৰকল্পৰ সপক্ষে আৰু বিপক্ষে বিস্তৃত যুক্তি-তৰ্ক আগবঢ়োৱাৰ অন্তত ন্যায়াধিকৰণে এই সন্দৰ্ভত আন কোনো কথা ক’বলগীয়া থাকিলে সেয়া লিখিতভাৱে দুসপ্তাহৰ ভিতৰত দাখিল কৰাৰ কাৰণে সংশ্লিষ্ট সকলো পক্ষক নিৰ্দেশ দিয়ে। এই শুনানিৰ সময়ত বান্ধ নিৰ্মাণকাৰী সংস্থা এন এইচ পি চি আৰু বিভিন্ন মন্ত্ৰালয় তথা অসম আৰু অৰুণাচল প্ৰদেশ চৰকাৰৰ অধিবক্তাই বান্ধৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰি ইয়াৰ কাম আৰম্ভ কৰাৰ কাৰণে ন্যায়াধিকৰণৰ কাষত পাকে-প্ৰকাৰে অনুৰোধ জনায়। অৰুণাচল প্ৰদেশ চৰকাৰৰ হৈ ওকালতি কৰা অধিবক্তাগৰাকীয়ে এই বান্ধৰ ফলত শিহুৰ ওপৰত পৰিব পৰা প্ৰভাৱৰ কথা খাৰিজ কৰিবলৈ গৈ শিহুৰ মৃত্যুৰ বাবে স্থানীয় মিচিং সম্প্ৰদায়ৰ লোকসকলক দোষাৰোপ কৰিবলৈ কুণ্ঠাবোধ নকৰে। আনহাতে এন এইচ পি চি আৰু অৰুণাচল প্ৰদেশ চৰকাৰৰ অধিবক্তাই এই প্ৰকল্পৰ বাবে ইতিমধ্যে ৭,৭০০ কোটি টকা ৰাজহুৱা ধন ব্যয় হোৱাৰ লগতে ৫০ শতাংশ কাম সম্পূৰ্ণ হোৱাৰ কথা উল্লেখ কৰি প্ৰকল্প বন্ধ হ’লে এই ধন অপচয় হ’ব তথা বিলম্ব হ’লে ব্যয় অধিক বৃদ্ধি পাব বুলি কয়। তেওঁলোকে উল্লেখ কৰা অনুসৰি ইতিমধ্যে এই প্ৰকল্পৰ ব্যয় বৃদ্ধি পাই বৰ্তমান সময়ত ১৯,৫০০ কোটি টকা হৈছে, যিটো প্ৰথম অৱস্থাত মাথোঁ ৬,০০০ কোটি টকা আছিল। প্ৰকল্পত অনুমোদন জনোৱাৰ সময়ৰ পৰা কাম চলি থকা হ’লে এই প্ৰকল্পৰ কাম এতিয়ালৈকে সম্পূৰ্ণ হ’লহেঁতেন বুলিও তেওঁলোকে উল্লেখ কৰে।

লক্ষণীয়ভাৱে এই শুনানিৰ সময়ত অসম চৰকাৰে উক্ত প্ৰকল্পত সমৰ্থন আগবঢ়োৱাৰ লগতে অতি কৌশলপূৰ্ণভাৱে উক্ত প্ৰকল্পৰ ফলত নামনি এলেকা তথা জীৱ বৈচিত্ৰ্যৰ লগতে ৰাজ্যৰ জনসাধাৰণৰ সুৰক্ষাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰ আৰু বান্ধ নিৰ্মাণকাৰী সংস্থাৰ ওপৰত অৰ্পণ কৰে। অসম চৰকাৰৰ অধিবক্তাই কয় যে অসম চৰকাৰৰ ফালৰ পৰা এই প্ৰকল্পৰ ক্ষেত্ৰত কোনোধৰণৰ আপত্তি নাই যদিও ইয়াৰ দ্বাৰা যাতে অঞ্চলটোৰ জীৱ-বৈচিত্ৰ্য আৰু ৰাজ্যৰ জনসাধাৰণৰ ওপৰত তথা নামনি এলেকাত কোনোধৰণৰ বিৰূপ প্ৰভাৱ পৰিব নোৱাৰে, সেয়া বান্ধ নিৰ্মাণকাৰী সংস্থা আৰু কেন্দ্ৰীয় চৰকাৰে নিশ্চিত কৰা প্ৰয়োজন। এই সন্দৰ্ভত বিভিন্ন কমিটী গঠন কৰা হৈছে আৰু কমিটীসমূহে সুৰক্ষাৰ ক্ষেত্ৰত যি পৰামৰ্শ আগবঢ়াইছে সেই পৰামৰ্শসমূহ সঠিকভাৱে পালন কৰাটো নিশ্চিত হ’ব লাগে বুলিও অধিবক্তাগৰাকীয়ে উল্লেখ কৰে। এই যুক্তি প্ৰদৰ্শনৰ সময়তে চৰকাৰী পক্ষৰ অধিবক্তাসকলৰ কেতবোৰ মন্তব্যত ন্যায়াধীশ ৱাংৰি অতিশয় ক্ষুণ্ণ হৈ পৰা দেখা যায়। বিশেষকৈ বন আৰু পৰিবেশ মন্ত্ৰালয়ৰ অধিবক্তাগৰাকীয়ে চৰকাৰৰ উন্নয়নমূলক কাম-কাজৰ কথা উল্লেখ কৰি উত্তৰ-পূৰ্বাঞ্চলৰ কাৰণে এই প্ৰকল্প জৰুৰী বুলি উল্লেখ কৰাৰ সময়ত ন্যায়াধীশগৰাকীয়ে অতি ক্ষোভেৰে নাম উল্লেখ নকৰাকৈ চৰকাৰক উদ্দেশ্যি কয় যে ন্যায়াধিকৰণ সন্দৰ্ভত বিভিন্ন সময়ত পৰোক্ষভাৱে বিভিন্নজনে মন্তব্য আগবঢ়াইছে আৰু এয়া ন্যায়ালয় অৱমাননাৰ সমতুল্য। এনে কাৰ্যত অসন্তুষ্টি ব্যক্ত কৰি ন্যায়াধীশগৰাকীয়ে কয় যে নদীপৰীয়া জনসাধাৰণৰ জীৱন, জীৱ-বৈচিত্ৰ্যৰ সুৰক্ষা নিশ্চিত কৰাৰ দায়িত্ব ন্যায়াধিকৰণৰ ওপৰত ন্যস্ত কৰা হৈছে আৰু সেই দায়িত্ব সম্পূৰ্ণ কৰাটো প্ৰকল্পতকৈ অধিক গুৰুত্বপূৰ্ণ। বিশেষকৈ প্ৰকল্পৰ বিৰুদ্ধে হোৱা প্ৰতিবাদৰ লগতে ন্যায়াধিকৰণে বিষয়টোত নিৰ্দেশনা নিদিয়াৰ ফলত প্ৰকল্পৰ কাম অধিক বিলম্ব হোৱা বুলি প্ৰকাৰান্তৰে অধিবক্তাগৰাকীয়ে উল্লেখ কৰাৰ সময়তে ন্যায়াধীশগৰাকীয়ে এই কথা কয়। লক্ষণীয়ভাৱে শক্তি দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পীযূষ গোৱেলে ন্যায়াধিকৰণৰ বিবেচনাধীন এই প্ৰকল্প সন্দৰ্ভত শেহতীয়াকৈ বহুকেইটা মন্তব্য আগবঢ়াইছিল। ইফালে চৰকাৰী পক্ষৰ অধিবক্তাৰ যুক্তি প্ৰদৰ্শনৰ অন্তত গুচৰীয়া পক্ষৰ অধিবক্তা সঞ্জয় উপাধ্যায়ে উক্ত প্ৰকল্পত থকা ত্ৰুটিৰ কথা আঙুলিয়াই দি সেই ত্ৰুটিসমূহ দূৰ কৰাটো নিশ্চিত নোহোৱালৈকে এনে প্ৰকল্পৰ কাম আগবঢ়া অনুচিত বুলি কয়। তেওঁ কয় যে বন আৰু পৰিবেশ মন্ত্ৰালয়ে ‘ৰান অব দা ৰিভাৰ’ প্ৰকল্প হিচাপে ইয়াত অনুমোদন জনাইছিল যদিও এয়া প্ৰকৃততে ‘ৰান অব দা ৰিভাৰ’ প্ৰকল্প নহয়, যাৰ কাৰণে চৰকাৰ তথা এন এইচ পি চিৰ অধিবক্তাই ইয়াক বান আৰু গৰাখহনীয়া ৰোধৰ কাৰণে নিৰ্মাণ কৰা প্ৰকল্প হিচাপে উল্লেখ কৰি সমগ্ৰ বিষয়টোৰ পৰা ফালৰি কাটিবলৈ চেষ্টা কৰিছে। তেওঁ কয় যে পৰম্পৰাগত ‘ৰান অব দা ৰিভাৰ’ প্ৰকল্পত নদীৰ প্ৰবাহৰ গতি সলনি নহয় যদিও এই প্ৰকল্পত নদীৰ প্ৰবাহৰ গতি সলনি হোৱাৰ ফলত এয়া ‘ৰান অব দা ৰিভাৰ’ প্ৰকল্প হৈ থকা নাই। দ্বিতীয়তে, বন আৰু পৰিবেশ মন্ত্ৰালয়ে উক্ত প্ৰকল্পৰ সৈতে জড়িত অতি গুৰুত্বপূৰ্ণ ‘জীৱ বৈচিত্ৰ্য ধাৰণা’ সম্পৰ্কীয় কোনো অধ্যয়ন এতিয়ালৈকে কৰা নাই বুলি তেওঁ উল্লেখ কৰে। আনহাতে চৰকাৰে গঠন কৰা বিভিন্ন কমিটীৰ প্ৰতিবেদনত উক্ত প্ৰকল্প সন্দৰ্ভত কেতবোৰ অতি চিন্তাজনক কাৰণ উল্লেখ কৰিছে যদিও সেইসমূহ দূৰ কৰাৰ বাবে কোনোধৰণৰ ব্যৱস্থা এতিয়ালৈকে গ্ৰহণ কৰা হোৱা নাই বুলি তেওঁ কয়। চৰকাৰে গঠন কৰা প্ৰজেক্ট অভাৰছাইট কমিটীৰ আঠজন সদস্যৰ ভিতৰৰে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়োজিত চাৰিজন সদস্যই দাখিল কৰা প্ৰতিবেদন চৰকাৰে গ্ৰহণ কৰি অসমৰ বিশেষজ্ঞৰ প্ৰতিবেদন আওকাণ কৰা বিষয়টো আঙুলিয়াই দি তেওঁ কয় যে এখন কমিটীৰ একাংশ সদস্যই দাখিল কৰা প্ৰতিবেদন গ্ৰহণ কৰি আন একাংশৰ প্ৰতিবেদন দলিয়াই পেলোৱাটো কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। বিশেষকৈ যিসকল সদস্যৰ প্ৰতিবেদন চৰকাৰে আওকাণ কৰিছে সেইসকল প্ৰকল্প নিৰ্মাণ কৰা অঞ্চলত দীৰ্ঘদিন ধৰি বাস কৰা স্থানীয় লোক আৰু তেওঁলোকৰ অঞ্চলটোৰ প্ৰতি অধিক জ্ঞান আছে বুলিও তেওঁ কয়। তেওঁ লগতে শিহুৰ উপৰি আন জলজ জীৱসমূহৰ ক্ষতি নহ’বলৈ নদীখনত প্ৰয়োজনীয় পানীৰ প্ৰবাহৰ পৰিমাণ সম্পৰ্কে ন্যায়াধিকৰণে বিবেচনা কৰি এইক্ষেত্ৰত এক গ্ৰহণযোগ্য সিদ্ধান্ত ল’ব বুলি আশা ব্যক্ত কৰে। এই শুনানিৰ সময়ত অৰুণাচল প্ৰদেশ চৰকাৰৰ অধিবক্তাই নদীখনত থকা শিহুৰ মৃত্যুৰ কাৰণ হিচাপে মিচিং সম্প্ৰদায়ৰ লোকক দোষাৰোপ কৰিছিল যদিও গুচৰীয়া পক্ষৰ অধিবক্তাগৰাকীয়ে এই বিষয়টোত তীব্ৰ আপত্তি দৰ্শায়। তেওঁ কয় যে নদীখনৰ পাৰত বাস কৰা লোকসকলৰ নদীখনৰ ওপৰত অধিক অধিকাৰ আছে আৰু কোনো এটা জাতিৰ কথা এনেদৰে উল্লেখ কৰাটো কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। প্ৰকল্পটোৰ সৈতে জড়িত উদ্বেগসমূহ এতিয়াও সম্পূৰ্ণৰূপে আঁতৰ হোৱা নাই বুলি উল্লেখ কৰি তেওঁ কয় যে বান্ধ নিৰ্মাণ কৰাত তেওঁলোকে আপত্তি কৰা নাই কিন্তু বান্ধটোৰ সৈতে জড়িত বিভিন্ন উদ্বেগসমূহ আঁতৰ নকৰাকৈ এই বান্ধ নিৰ্মাণ কৰিলে ই প্ৰকৃতি, পৰিবেশ, জীৱ-বৈচিত্ৰ্যৰ লগতে সেই অঞ্চলৰ জনসাধাৰণৰ বাবে ভয়ংকৰ দুৰ্যোগ কঢ়িয়াই আনিব। এইক্ষেত্ৰত তেওঁ ৰঙানদী প্ৰকল্পৰ উদাহৰণ তুলি ধৰি ইয়াৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ কথা ন্যায়াধিকৰণৰ আগত দাঙি ধৰে। সেয়েহে বিভিন্ন কমিটীয়ে আগবঢ়োৱা পৰামৰ্শসমূহ সঠিকভাৱে পালন কৰাটো নিশ্চিত কৰাৰ লগতে প্ৰয়োজনসাপেক্ষে এই প্ৰকল্পৰ ক্ষেত্ৰত অধিক নীতি-নিয়ম ন্যায়াধিকৰণে বান্ধি দিয়া উচিত বুলি তেওঁ কয়। বিশেষকৈ ভূঁইকঁপপ্ৰৱণ এলেকাত এই বান্ধ নিৰ্মাণ হোৱাৰ ফলত এই প্ৰকল্পক সঠিকভাৱে বিবেচনা কৰি বান্ধৰ পানীৰ প্ৰবাহ মানুহৰ দ্বাৰা পৰিচালিত নোহোৱাটো নিশ্চিত কৰিবলৈ তেওঁ ন্যায়াধিকৰণৰ ওচৰত অনুৰোধ জনায়। এই কথা উল্লেখ কৰাৰ সময়তে তেওঁ উক্ত প্ৰকল্পৰ বাবে প্ৰদীপ ভূঞাই তৈয়াৰ কৰা বিকল্প আৰ্হি ন্যায়াধিকৰণৰ আগত দাঙি ধৰে। এই বিকল্প আৰ্হিৰ দ্বাৰা নিৰ্দিষ্ট স্থানতে প্ৰকল্পটো নিৰ্মাণ কৰা সম্ভৱ বুলি উল্লেখ কৰি ন্যায়াধিকৰণৰ আগত ভূঞাই কয় যে ইয়াৰ দ্বাৰা জলবিদ্যুৎ উৎপাদনত সামান্য তাৰতম্য ঘটিলেও সেয়া অতি নগণ্য হ’ব।

২ লাখ ১৩ হেজাৰ গৃহৰ ৬০% ৰে আৰম্ভ হোৱা নাই নিৰ্মাণ

■ ***প্ৰথম পৃষ্ঠাৰ পৰা*** নাজানে গ্ৰামোন্নয়ন আঁচনিসমূহ ৰূপায়ণ সম্পৰ্কীয় পদ্ধতিৰ সবিশেষ। উল্লেখযোগ্য যে ৰাজ্যখনৰ ২১৯ টা উন্নয়ন খণ্ডৰ বিপৰীতে ২,২০২ খন পঞ্চায়ত আছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰত্যক্ষ পুঁজিৰ দ্বাৰা পৰিচালিত হ’বলগীয়া আৰু নিৰ্ধাৰিত সময়ৰ ভিতৰত আঁচনি ৰূপায়ণ নিশ্চিত হ’বলগীয়া এই কাৰ্যালয়সমূহ পূৰ্বৰ চৰকাৰৰ আমোলত কাৰ্যতঃ মন্ত্ৰী-বিধায়ক তথা একাংশ শাসকীয় দালালে ৰাজনৈতিক আৰু ব্যক্তিগত লাভালাভৰ হাথিয়াৰত পৰিণত কৰি আহিছিল। কিন্তু কেন্দ্ৰত বিজেপি দল শাসনলৈ অহাৰ পিচত সমগ্ৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন কাৰ্যালয়ত তথা ইয়াৰ দ্বাৰা ৰূপায়ণ হ’বলগা আঁচনিসমূহৰ ক্ষেত্ৰত আমূল পৰিবৰ্তন সাধনেৰে গ্ৰামোন্নয়ন অভিযানক ক্ষিপ্ৰতৰ কৰি তোলাৰ কিছু বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ কৰে যদিও অসমত এতিয়াও এয়া পূৰ্বৰ চৰকাৰৰ আৰ্হিতেই চলি আছে বুলিব পাৰি। এই পৰিস্থিতিৰ কথা পঞ্চায়তে পঞ্চায়তে সম্প্ৰতি চলি থকা ‘আমাৰ গাঁও আমাৰ আঁচনি’ৰ পৰ্যালোচনা সভাসমূহতেই স্পষ্ট হৈ পৰিছে। এইক্ষেত্ৰত উল্লেখযোগ্য যে পূৰ্বৰ ‘ইন্দিৰা আবাস যোজনা’ৰ নাম সলনি কৰি কেন্দ্ৰীয় চৰকাৰে ‘প্ৰধানমন্ত্ৰী আবাস যোজনা’ ৰূপে নামাংকন কৰা গ্ৰামাঞ্চলৰ দৰিদ্ৰ লোকৰ বাবে বিনামূলীয়া গৃহ আবণ্টন আঁচনিখনৰ অধীনত চলিত বিত্তীয় বৰ্ষৰ বাবে ধাৰ্য কৰা ১ লাখ ৬০ হেজাৰটকীয়া (প্ৰতিটো) মুঠ গৃহৰ সংখ্যা হ’ল ২ লাখ ১৩ হেজাৰ। অৰ্থাৎ প্ৰায় প্ৰতিখন পঞ্চায়তত অহা জুলাই মাহৰ ভিতৰত নিৰ্মাণ হ’বলগীয়া দৰিদ্ৰৰ গৃহৰ সংখ্যা এশটাতকৈও বেছি। কেন্দ্ৰীয় চৰকাৰৰ সংশোধিত ‘আমাৰ গাঁও আমাৰ আঁচনি’ নীতি-নিৰ্দেশনামতে পূৰ্বৰ দৰে গ্ৰামোন্নয়নৰ কোনো আঁচনি এনে সভা অনুষ্ঠিত নকৰাকৈ অথবা কোনো শীৰ্ষ বিষয়া অথবা ৰাজনৈতিক নেতাৰ নিৰ্দেশত যেতিয়াই-তেতিয়াই অনুমোদন জনাব পৰা নাযাব। মাৰ্চৰ ভিতৰত সকলো আঁচনিৰ তালিকা চূড়ান্ত কৰাৰ পিচত পঞ্চায়ত তথা খণ্ড উন্নয়ন কাৰ্যালয়ৰ লগতে জিলা পৰিষদ আৰু জিলা গ্ৰামোন্নয়ন অভিকৰণৰ কাৰিকৰী অনুমোদনসহ অনুমোদনৰ লগতে প্ৰথম পৰ্যায়ৰ পুঁজিৰ কিস্তিও মাৰ্চ মাহৰ ভিতৰত মুকলি হ’ব লাগে। একেদৰে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিত আইন (এম জি এনৰেগা)ৰ লগতে অন্যান্য আঁচনিসমূহৰ ক্ষেত্ৰতো একেই ব্যৱস্থা প্ৰযোজ্য যদিও পূৰ্বৰ পৰা দুৰ্নীতি আৰু অনিয়মকে নিয়মত পৰিণত কৰি পেলোৱা ৰাজ্যৰ উন্নয়ন খণ্ড আৰু পঞ্চায়ত কাৰ্যালয়সমূহৰ দুৰ্নীতিৰ লগতে একাংশ বিষয়া-কৰ্মচাৰীৰ এই সম্পৰ্কীয় কোনো দক্ষতা নথকাৰ বাবেই এই আঁচনিসমূহৰ ৬০ শতাংশৰো অধিক অংশৰ ৰূপায়ণৰ প্ৰক্ৰিয়াই আজি মে’ মাহপৰ্যন্ত আৰম্ভ হোৱা নাই। যোৱা ২৪ মে’ত কামৰূপ জিলাৰ অতিকৈ ভিতৰুৱা ছমৰীয়া উন্নয়ন খণ্ডৰ অধীনস্থ ১৫ খন পঞ্চায়তৰ এক পৰ্যালোচনা বৈঠকত উপস্থিত আছিল জিলাৰ উপায়ুক্ত বিনোদ শেষাণৰ লগতে অতিৰিক্ত মুখ্য সচিব এম জি ভি কে ভানু। তদুপৰি উন্নয়ন খণ্ডটোৰ সকলো বিষয়া-কৰ্মচাৰীৰ লগতে পঞ্চায়ত সচিব আৰু সভাপতিসকলো উপস্থিত থকা এই পৰ্যালোচনা সভাত সহস্ৰাধিক গাঁওবাসীৰ মাজত শ্ৰোতা হিচাপে এই প্ৰতিবেদকো বহি থকাত উন্নয়ন খণ্ডটোত উন্নয়ন আঁচনিৰ নামত চলি থকা ভেঁকোভাওনাৰ ছবিখনো প্ৰত্যক্ষ কৰাৰ সুযোগ পাইছিলো। অতিকৈ দুৰ্গম অঞ্চলৰ কাৰ্যালয়টোৰ চোতালত অনুষ্ঠিত সভাত লুংলুঙীয়া বাটেৰে খোজ কাঢ়ি গৈ উপস্থিত হোৱা অতিৰিক্ত মুখ্য সচিব আৰু জিলাৰ উপায়ুক্তগৰাকীৰ উপস্থিতিয়ে স্বাভাৱিকতেই উন্নয়ন খণ্ডটোৰ কৰ্মচাৰী তথা পঞ্চায়ত সচিবসকলক যে পেপুৱা লগা অৱস্থাত পেলাইছিল, তাৰ বৰ্ণনা দিয়াৰ প্ৰয়োজন নাই। কিন্তু দক্ষ প্ৰশাসনীয় মুৰব্বীগৰাকীয়ে প্ৰতিজন পঞ্চায়ত সচিব, পঞ্চায়ত সভানেত্ৰী, খণ্ড উন্নয়ন বিষয়া, কনিষ্ঠ অভিযন্তা আৰু কম্পিউটাৰ অপাৰেটৰসকলক এফালৰ পৰা এটা এটাকৈ সুধি যোৱা বিভিন্ন আঁচনি সম্পৰ্কীয় প্ৰশ্নই দৰাচলতে দুৰ্গম এলেকাৰ গ্ৰামোন্নয়নত কেনে এক ভেঁকোভাওনা চলি আছে সেয়া জলজল পটপট কৰি তুলিছিল। আচৰিত কথা যে ছমৰীয়া উন্নয়ন খণ্ডটোৰ ১৫খন গাঁও পঞ্চায়ত চলাই আছে ৯জন পঞ্চায়ত সচিবে। ইয়াৰে কোনোবাজনৰ হাতত তিনিখনকৈ পঞ্চায়তৰ দায়িত্বও আছে। এনে এজন পঞ্চায়ত সচিবক তেওঁৰ অধীনস্থ এখন পঞ্চায়তত পি এম এ ৱাইৰ এই বছৰৰ টাৰ্গেট কিমান সোধাত সেহা-বেঙা লগাই বহু সময় মনে মনে থকাৰ পিচত তেওঁ উত্তৰ দিয়ে যে বগৰীগুৰি পঞ্চায়তৰ বাবে চলিত বৰ্ষত পি এম এ ৱাইৰ টাৰ্গেট ৫৫টা যদিও ইয়াৰে ৪৫টাৰ অনুমোদন হোৱাৰ বিপৰীতে ২৫টাৰ প্ৰথম কিস্তিৰ ধন আৰু ৫টাৰ বাবেহে দ্বিতীয় কিস্তিৰ ধন মুকলি হৈ আহিছে। যিটো বৰ্তমানৰ গ্ৰামোন্নয়ন আঁচনি ৰূপায়ণৰ কোনো নীতিৰ ভিতৰতে নপৰে। কিয়নো বৰ্তমানৰ নীতি অনুসৰি পৰ্যালোচনা বৈঠকত ধাৰ্য কৰা সমূহ আঁচনিৰ অনুমোদন একেলগে হোৱাৰ লগতে সকলোৰে প্ৰথম কিস্তিৰ ধন একেলগে মুকলি কৰা হয় আৰু সেইমৰ্মে কাম আৰম্ভ কৰিলেই দ্বিতীয় কিস্তিৰ ধনো একেলগেই মুকলি হৈ আহিব লাগে। এয়া কেৱল বগৰীগুৰি পঞ্চায়ত সচিবজনৰ ক্ষেত্ৰতেই পৰিলক্ষিত হোৱা নাই। ছমৰীয়া উন্নয়ন খণ্ডৰ ১৫খন পঞ্চায়তৰ বাবে পি এম এ ৱাইৰ মুঠ টাৰ্গেট আছিল ৯০৫। ইয়াৰে ৪৩২টাৰ বাবে মাত্ৰ অনুমোদন হৈ প্ৰথম কিস্তিৰ ধন লাভ কৰাৰ বিপৰীতে কেৱল ১৪টাইহে দ্বিতীয় কিস্তিৰ ধন লাভ কৰিছে। ১৫খন পঞ্চায়তৰ দায়িত্বত থকা ৯জন সচিবৰ প্ৰায়কেইজনৰ ভাষ্যৰ মাজেৰেই এই কথা স্পষ্ট হৈ পৰাত অতি স্বাভাৱিকভাৱে ক্ষুব্ধ হৈ উঠা গ্ৰামোন্নয়নৰ দায়িত্বত থকা শীৰ্ষ আমোলাগৰাকীয়ে বুজনিৰ সুৰত কয়— চৰকাৰে এজন খণ্ড উন্নয়ন বিষয়াক ৫০ৰ পৰা ৭০ হেজাৰ টকা দৰমহা দিয়াৰ বিপৰীতে এজন পঞ্চায়ত সচিবক ৩৪ হেজাৰ টকা দৰমহা দিছে। এই দৰমহা কেৱল বহি বহি খাবলৈ নহয়, আপোনালোকে কাম কৰক আৰু নজনা কামখিনি শিকি লোৱাৰ আগ্ৰহ দেখুৱাওক। তাকে নকৰি পূৰ্বৰ দৰেই যিয়ে ধন দিব তাৰে আঁচনি অনুমোদন হ’ব নীতি অৱলম্বন কৰি থাকিলে চাকৰিৰে টনাটনি হ’ব। আনহাতে ৰাইজক উদ্দেশ্য কৰি তেওঁ কয় যে আপোনালোককো চৰকাৰে পৰিবৰ্তিত নীতিৰ জৰিয়তে সৰ্বাধিক ক্ষমতা প্ৰদান কৰিছে। সেয়া হ’ল আপোনালোকৰ গাঁও আপোনালোকে নিজেই নিৰ্মাণ কৰি ল’ব পৰাৰ অধিকাৰ। সেই অধিকাৰৰ ভিত্তিতেই আপোনালোকে পঞ্চায়ত প্ৰতিনিধি বা সচিবৰ উপস্থিতিত সভা পাতি সকলো আঁচনিৰ বিষয়ে স্পষ্ট হৈ ল’ব পাৰে। সভাখনত উপস্থিত থকা মহিলাসকলক উদ্দেশ্যি তেওঁ আত্মসহায়ক গোটৰ বাবে ধাৰ্য ‘পঞ্চসূত্ৰ’ৰ বিষয়ে অথবা ‘আমাৰ গাঁও আমাৰ আঁচনি’ৰ বিষয়ে জানে নে নাজানে তাৰো বুজ লয়। তেওঁ কয়— ‘পঞ্চসূত্ৰ’ হ’ল— প্ৰতিখন আত্মসহায়ক গোটৰ প্ৰতিমাহে অনুষ্ঠিত হ’বলগা সভা, প্ৰতিমাহে জমা কৰিবলগীয়া পুঁজি, সেই পুঁজিৰে গাঁৱৰ প্ৰয়োজনীয় ব্যক্তিক বিভিন্ন আঁচনিৰ বাবে দিবলগা ঋণ, ইয়াক কিস্তি ভিত্তিত ঘূৰাই লোৱা আৰু তাৰবাবে প্ৰয়োজনীয় হিচাপ-নিকাচৰ সমুদায় তথ্য পৰিপাটিকৈ সংৰক্ষণ কৰা। এয়া সম্পূৰ্ণভাৱে পালন কৰিব পাৰিলে তিনি মাহ মাত্ৰ সম্পূৰ্ণ কৰা প্ৰতিখন আত্মসহায়ক গোটে চৰকাৰৰ পৰা ২৫ হেজাৰ টকাৰ বিত্তীয় সাহায্য পোৱাটোও নিশ্চিত। ইয়াৰ বাবে চহৰলৈ বা শীৰ্ষ বিষয়াৰ ওচৰলৈ তাঁতবাটি কঢ়াৰ প্ৰয়োজন নাই। প্ৰসংগক্ৰমে এম জি এনৰেগাৰ আঁচনিসমূহৰ ক্ষেত্ৰতো একেই নীতি প্ৰযোজ্য বুলি অভিহিত কৰি তেওঁ লগতে কয় যে পূৰ্বে বৃদ্ধ, বিধৱা আৰু বিশেষভাৱে সক্ষম লোকৰ বাবে ছমাহে, বছৰেকীয়া যি ভাত্তা দিয়াৰ ব্যৱস্থা বৰ্তি আছিল, সেয়া এতিয়া প্ৰতিমাহে তেওঁলোকে লাভ কৰাটো নিশ্চিত কৰা হৈছে। ইয়াৰ কোনো হেৰফেৰ চৰকাৰে সহ্য নকৰে। কৃষকে লাভ কৰিবলগা শ শ পাম্পছেট গৰৈমাৰী উন্নয়ন খণ্ডৰ গুদামত দীৰ্ঘদিন পৰি থকাৰ বিষয়ে তেওঁ কয় যে অতি অনুন্নত এই অঞ্চলৰ উন্নয়নৰ নামত বিষয়া-কৰ্মচাৰীৰ দুৰ্নীতি, হেমাহি মুঠেও সহ্য কৰা নহ’ব। মুঠৰ ওপৰত ছমৰীয়াৰ এই সভাখনতেই এই কথাও স্পষ্ট হৈ পৰে যে ৰাজ্যখনৰ বহু পঞ্চায়তৰ বাবে পঞ্চায়তৰ সচিবেই নাই। আনহাতে যিবোৰ পঞ্চায়তত আছে, সেইবোৰতো একাংশ সচিবৰ প্ৰয়োজনীয় দক্ষতা আৰু অৰ্হতা নাই। যাৰ সুযোগ গ্ৰহণ কৰি আন একাংশ সচিবে কেইবাখনো পঞ্চায়তৰ দায়িত্বভাৰ লৈ খণ্ড উন্নয়ন বিষয়া, কনিষ্ঠ অভিযন্তাৰ সহযোগত পূৰ্বৰ দৰেই অব্যাহত ৰাখিছে লুণ্ঠন আৰু অনিয়ম। এয়া দূৰ কৰিবলৈ হ’লে প্ৰতিখন পঞ্চায়ত, প্ৰতিটো উন্নয়ন খণ্ড শীৰ্ষ পদাধিকাৰীয়ে মাহেকত এবাৰকৈ হ’লেও পৰিদৰ্শন কৰাটো অপৰিহাৰ্য হৈ উঠিছে। অন্যথা গ্ৰামোন্নয়ন তথা অনাময় আদি আঁচনিৰ নতুন নীতি চূড়ান্ত প্ৰহসনত পৰিণত হ’ব।

মোডীক প্ৰশংসা লতা মংগেশকাৰৰ

■ ***প্ৰথম পৃষ্ঠাৰ পৰা*** অসাধাৰণ শিল্পী আছিল। ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ কৰা মনোমোহা ধলা-শদিয়া দলংখন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে উদ্বোধন কৰিলে। কেৱল ভাৰত চৰকাৰেহে এইদৰে শিল্পীক সন্মান যাচিছে। ইয়াৰ বাবে মই ভাৰত চৰকাৰক সন্মান জনালো।’ উল্লেখনীয় যে প্ৰধানমন্ত্ৰীয়ে কালি উদ্বোধন কৰা ধলা-শদিয়া দলংখন তিনিচুকীয়া জিলাত নিৰ্মাণ হৈছে যদিও এই দলংখন অসম আৰু অৰুণাচল প্ৰদেশৰ মাজৰ অন্যতম প্ৰধান সংযোগী সেতু। প্ৰধানমন্ত্ৰী মোডীয়ে কালি কয় যে এই দলংখনে কেৱল এই অঞ্চলতো নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চললৈ অৰ্থনৈতিক পৰিৱৰ্তন আনিব। দেশৰ প্ৰতি, সংগীত জগতৰ প্ৰতি আগবঢ়াই যোৱা অৱদানৰ বাবে দলংখন ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ কৰিবলৈ চৰকাৰে সিদ্ধান্ত লয় বুলি মোডীয়ে কৈছিল। মোডীৰ এই ঘোষণাৰ বিষয়ে জানিব পাৰি লতা মংগেশকাৰে প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। স্মৰণীয় যে ভূপেন হাজৰিকাৰ নিৰ্দেশনাত লতা মংগেশকাৰে বহুকেইখন ছবিত কণ্ঠদান কৰিছিল। ‘এৰাবাটৰ সুৰ’ত তেওঁ গাইছিল ‘জোনাকৰে ৰাতি অসমীৰে মাটি’ গীতটো। আনকি ভূপেন হাজৰিকাৰ প্ৰেৰণাতে তেওঁ গাইছিল বহুকেইটা অসমীয়া গীত। কেৱল সংগীত নহয় সামগ্ৰিকভাৱে জ্ঞান, শিল্পীসুলভ মন আৰু ৰসবোধৰ বাবে ভূপেন হাজৰিকাৰ প্ৰতি লতা মংগেশকাৰৰ আছিল গভীৰ শ্ৰদ্ধা।

দলঙক লৈ প্ৰধানমন্ত্ৰী মোডীয়ে কৰা ৰাজনীতি শোভা নাপায়

■ ***প্ৰথম পৃষ্ঠাৰ পৰা*** আৰু বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই আজিৰ দিনটোত সুকীয়া সুকীয়াকৈ দুখনকৈ সংবাদমেল অনুষ্ঠিত কৰি ক্ষুৰধাৰ সমালোচনা কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বিজেপি নেতৃত্বাধীন কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰক। আজি পুৱা ৯ বজাত মহানগৰীৰ হোটেল ৰিপ’জ ছিগনেটত অনুষ্ঠিত কৰা এখন সংবাদমেলত কংগ্ৰেছ বিধায়িনী দলৰ দলপতি দেৱব্ৰত শইকীয়াই মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ এবছৰীয়া শাসন কালক প্ৰতাৰণা আৰু ভেল্কীবাজি বুলি অভিহিত কৰে। নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণত সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা সোণোৱাল চৰকাৰে বৰ্ষপূৰ্তি উদ্‌যাপনৰ জাকজমক উৎসৱ পাতি ৰাইজক আভুৱা ভাঁৰিছে বুলিও অভিযোগ কৰে। আনহাতে আজি দিনৰ ১২ বজাত কইনাধৰাত এখন সংবাদমেল অনুষ্ঠিত কৰি প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈয়েও চিৰাচৰিত ভংগিমাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰ আৰু মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ বিগত কাৰ্যকালৰ সমালোচনাত মুখৰ হৈ পৰে। লক্ষণীয়ভাৱে মাত্ৰ তিনি ঘণ্টা সময়ৰ ব্যৱধানত একেটা বিষয়ৰ ওপৰতে দুখনকৈ সংবাদমেলৰ আয়োজন কৰি বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে যেন উদঙাই দিলে কংগ্ৰেছৰ অভ্যন্তৰত চলি থকা সমন্বয়হীনতাৰ কথা। সেয়া যিয়েই নহওক কিয়, কইনাধৰাত অনুষ্ঠিত সংবাদমেলখনত প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে অভিযোগ কৰামতে ধলা-শদিয়া দলঙক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে যি ৰাজনীতি কৰিছে, সেয়া এগৰাকী প্ৰধানমন্ত্ৰীৰ বাবে শোভা নাপায়। কালি প্ৰধানমন্ত্ৰীয়ে সৌজন্যৰ খাতিৰতো প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ নাম নল’লে। ধলা-শদিয়াৰ দলং প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ সপোন আছিল বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি ৰাজহুৱা সভাত কৰা মন্তব্যত তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰি তৰুণ গগৈয়ে কয়— ‘বাজপেয়ীৰ দিনত ধলা-শদিয়া দলঙৰ সম্ভাৱনীয়তাৰ প্ৰতিবেদনেই দাখিল হোৱা নাছিল। সপোন দেখিলেই নহ’ব। কাৰ্যকৰী কোনে কৰিলে, সেয়াও চাব লাগিব। ধনৰ অনুমোদন নহ’লে আঁচনি কেনেকৈ হ’ব? বাজপেয়ী প্ৰধানমন্ত্ৰী হৈ থকা সময়ত বগীবিল দলং কিয় সম্পূৰ্ণ নহ’ল? বগীবিল দলঙৰ বাবে কোনে কিমান টকা খৰচ কৰিছিল, তাৰ হিচাপ দিয়ক। প্ৰধানমন্ত্ৰীয়ে কালি বগীবিলৰ দলঙৰ কথা কিয় এষাৰো উল্লেখ নকৰিলে।’ বিজেপিয়ে সকলোতে খালী মিথ্যাচাৰৰ আশ্ৰয় লোৱা বুলিও অভিযোগ কৰি তৰুণ গগৈয়ে কয় যে তেওঁলোকে এতিয়া এনেদৰে হৈ-চৈ কৰিছে যেন ধলা-শদিয়া দলঙৰ ক্ষেত্ৰত কংগ্ৰেছৰ কোনো অৱদানেই নাছিল। কাম কেতিয়া আৰম্ভ হৈছিল, কোনে পুঁজি আবণ্টন কৰিছিল, সেই কথা তেওঁলোকে ক’ব নোখোজে। এনে মিথ্যাচাৰ আৰু প্ৰতিশ্ৰুতি পূৰণত ব্যৰ্থ হোৱা বাবে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ জনসমৰ্থন হ্ৰাস পাইছে বুলিও মন্তব্য কৰি গগৈয়ে কয়— ‘গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমীক্ষা অনুসৰি যোৱা এবছৰত বিজেপি চৰকাৰৰ জনপ্ৰিয়তা পাঁচ শতাংশ হ্ৰাস পাইছে। আমি যোৱাবাৰ ভোট পাইছিলো ৩১ শতাংশ। তেওঁলোকে পাইছিল ৪১ শতাংশ। গতিকে এবছৰতে যদি তেওঁলোকৰ পাঁচ শতাংশ হ্ৰাস পায়, তেনেহ’লে অহা চাৰি বছৰত আৰু কিমান হ্ৰাস পাব, সেয়া বিচাৰ কৰি চাবলগীয়া।’ সোণোৱাল চৰকাৰৰ দুৰ্নীতিবিৰোধী অভিযানৰ ক্ষেত্ৰতো সন্দেহ ব্যক্ত কৰি গগৈয়ে কয় যে যদি চৰকাৰখনে দুৰ্নীতিৰ বিৰুদ্ধে আপোচহীন স্থিতিয়ে গ্ৰহণ কৰিছে, তেনেহ’লে মন্ত্ৰী ৰঞ্জিত দত্তৰ বিৰুদ্ধে স্পষ্ট অভিযোগ উত্থাপন হোৱাৰ পিচতো ব্যৱস্থা কিয় লোৱা নাই? লুইছ বাৰ্গাৰ, সাৰদা কেলেংকাৰী আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ দুৰ্নীতিৰ বিৰুদ্ধে চৰকাৰে কিয় মাত নিদিয়ে? ডিমা হাচাও জিলাৰ কেলেংকাৰীৰ বিৰুদ্ধে কংগ্ৰেছেই গোচৰ ৰুজু কৰিছিল বুলি দাবী কৰি গগৈয়ে কয় যে যাৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ আছে, তাৰ লগতেই এতিয়া বিজেপিয়ে মিত্ৰতা স্থাপন কৰিছে। অসম লোকসেৱা আয়োগৰ দুৰ্নীতিৰ লগতে মন্ত্ৰী ৰঞ্জিত দত্তৰ দুৰ্নীতিৰ অভিযোগৰ তদন্ত চি বি আইক দিবলৈও দাবী জনায় তৰুণ গগৈয়ে। সংবাদমেলত তৰুণ গগৈয়ে লগতে অভিযোগ কৰামতে বিমুদ্ৰাকৰণৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে একাংশ দুৰ্নীতিকাৰীক ক’লা ধন বৈধ কৰাৰহে সুবিধা দিলে। নিৰ্বাচনৰ আগত দিয়া সকলো প্ৰতিশ্ৰুতি মোডীয়ে এতিয়া পাহৰি গৈছে। বিদেশত থকা ক’লা ধন দেশলৈ ঘূৰাই অনা, নিবনুৱাক সংস্থাপন দিয়া, বিদেশী বিতাড়ন কৰা আদি কথা এতিয়া মোডীয়ে নকয়। ৰে’ল বিভাগত যোৱা তিনি বছৰত নিযুক্তি বহু পৰিমাণে হ্ৰাস পাইছে। নিৰ্বাচনৰ সময়ত দিয়া অসমৰ নিবনুৱা সমস্যা, গৰাখহনীয়া সমস্যা, সীমান্ত ছীল কৰা, বিদেশী বিতাড়ন কৰা আদি প্ৰতিশ্ৰুতি পালন কৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে মোডী। নিবনুৱাক সংস্থাপন দিয়াৰ বিপৰীতে অসমৰ প্ৰাকৃতিক সম্পদ এতিয়া ব্যক্তিগত খণ্ডকহে গতাব খুজিছে মোডী চৰকাৰে। ইফালে ৰাজ্যৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে উদ্যোগ ক্ষেত্ৰত চল্লিশ হেজাৰ সংস্থাপন হোৱা বুলি কৰা দাবীও অসত্য বুলি মন্তব্য কৰি প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে কংগ্ৰেছৰ দিনত হোৱা বহু উদ্যোগ প্ৰতিষ্ঠানকো নিজৰ কাৰ্যকালতে হোৱা বুলি দেখুৱাইছে উদ্যোগ মন্ত্ৰীগৰাকীয়ে। বিজেপিয়ে এতিয়া জনসভালৈ মানুহ অনাৰ কামত জিলাসমূহৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক ব্যৱহাৰ কৰা বুলিও মন্তব্য কৰি তৰুণ গগৈয়ে লগতে কয় যে বিজেপিৰ দিনত ৰাজ্যত আকৌ নিৰ্দোষী হত্যা আৰম্ভ হৈছে। সোণোৱাল চৰকাৰৰ বিগত এবছৰীয়া কাৰ্যকালত ৰাজ্যত আইন-শৃংখলাৰ অৱনতি ঘটিছে। ইফালে বৰ্ষপূৰ্তি অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সন্মুখত অসমৰ কোনো সমস্যাৰ কথাই মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে উল্লেখ নকৰা বুলিও অভিযোগ কৰি গগৈয়ে কয় যে বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত দাসেহে কেৱল নগাঁও কাগজ কল আৰু কাছাৰ কাগজ কলৰ পুনৰুজ্জীৱিতকৰণৰ কথা ক’লে। কিন্তু অসমৰ সমস্যাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ আগত নীৰৱ হৈ থাকিল মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল। ইফালে ধলা-শদিয়া দলং চাবলৈ যাওঁতে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকী অপমানিত হ’বলগীয়া হোৱা ঘটনা সন্দৰ্ভত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত গগৈয়ে কয়— ‘মই দলংখন চাবলৈ যোৱাত কি ৰাজনীতি থাকিব পাৰে? মই দলংখন উদ্বোধন কৰিবলৈ যোৱা বুলি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কৈছে। দলং উদ্বোধন কৰিবলৈ যাবলৈ মই মূৰ্খ নেকি? মই বিজেপিৰ এম এল এৰ দৰে নেকি? এই সন্দৰ্ভত মই আনুষ্ঠানিকভাৱে তিনিচুকীয়া জিলাৰ উপায়ুক্তক দৰ্খাস্তও দিছিলো। তথাপি মোক যাবলৈ নিদিলে। মোক বাৰু যাব নিদিলে, কিন্তু পিচদিনা বিজেপিৰ তিনিজন বিধায়কক কিয় যাবলৈ দিয়া হ’ল? এনেকুৱা পৃথক ব্যৱস্থা কিয়?’ তেওঁক বাধা দিয়াৰ আঁৰত মুখ্যমন্ত্ৰী সৰ্বানন্দৰ অনুমোদন থকা বুলি মন্তব্য কৰি গগৈয়ে লগতে কয়— ‘মুখ্যমন্ত্ৰীৰ অনুমোদন নহ’লে কাৰ সাহস আছে মোক বাধা দিয়াৰ?’ বৰ্ষপূৰ্তি অনুষ্ঠানত বিজেপিয়ে অগপক গুৰুত্ব দিয়া নাই নেকি বুলি সাংবাদিকে সোধা আন এটা প্ৰশ্নৰ উত্তৰত গগৈয়ে কয় যে অগপকতো কোনোফালে গুৰুত্ব দিয়া নাই। বিজেপিয়ে আঞ্চলিক দলসমূহক শেষ কৰাৰ বাবেহে তৎপৰ হৈ পৰিছে। আজিৰ দিনটোতে কংগ্ৰেছ বিধায়িনী দলৰ দলপতি দেৱব্ৰত শইকীয়াই আন এখন সুকীয়া সংবাদমেলৰ আয়োজন কৰা কাৰ্যলৈ আঙুলিয়াই এয়া কংগ্ৰেছৰ আভ্যন্তৰীণ দলীয় বিৰোধ নেকি বুলি সাংবাদিকে সোধা আন এটা প্ৰশ্নৰ উত্তৰত গগৈয়ে কয়— ‘এয়া মতবিৰোধ হ’ব কিয়? মই ৰিপুণ বৰাক কৈছো। কংগ্ৰেছৰ কোনো এতিয়া বহি থাকিব নালাগে। এয়া আমাৰ আন্দোলন কৰাৰ সময়। মোডীৰ যি স্বৈৰাচাৰ, একনায়কত্ববাদ— তাৰ বিৰুদ্ধে আমি আন্দোলন কৰিব লাগিব।’ ধলা-শদিয়া দলঙৰ উদ্বোধনী অনুষ্ঠানলৈ তেওঁক নিমন্ত্ৰণ কৰা হৈছিল নে নাই বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত গগৈয়ে স্বভাৱসিদ্ধ ভংগিমাৰে কয়— ‘কিয় নকৰিব? মোক ডবল ডবল নিমন্ত্ৰণ কৰিছে। তাতো মাতিছে, ইয়াতো মাতিছে। কিন্তু মই কিয় যাম? য’ত মোক সোমাবকে নিদিলে, তালৈ মই কিয় যাম? মোক সন্ত্ৰাসবাদী বুলি ভাবিছে নেকি?’

ইফালে আজি পুৱা হোটেল ৰিপ’জ ছিগনেটত অনুষ্ঠিত কৰা সংবাদমেলত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বিৰুদ্ধে উত্থাপন কৰে বহু অভিযোগ। সংবাদমেলত সোণোৱাল চৰকাৰৰ এবছৰীয়া কাৰ্যকালক লৈ অসম কংগ্ৰেছ বিধায়িনী দলে প্ৰস্তুত কৰা ‘গণতন্ত্ৰ, ধৰ্মনিৰপেক্ষতা, অসমীয়াৰ স্বাভিমানবিৰোধী ৩৬৫ দিন’ শীৰ্ষক এখন পুস্তিকাও উন্মোচন কৰে দেৱব্ৰত শইকীয়া আৰু বিধায়ক আব্দুল খালেকে। বিৰোধী দলপতি সংবাদমেলত অভিযোগ কৰামতে মোডীৰ অসম ভ্ৰমণকালত যি ৩,৫০০ কোটি টকাৰ আঁচনি ঘোষণা কৰা হ’ল, সেই আঁচনিৰ সিংহভাগেই কংগ্ৰেছৰ দিনৰ আছিল। গোলাম নবী আজাদ কেন্দ্ৰীয় স্বাস্থ্য দপ্তৰৰ মন্ত্ৰী হৈ থাকোতেই এইমছ নিৰ্মাণৰ সিদ্ধান্ত গৃহীত হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ তিনি বছৰ আৰু অসম চৰকাৰৰ এবছৰীয়া কাৰ্যকাল চৰম হতাশজনক বুলিও মন্তব্য কৰি শইকীয়াই কয় যে নিৰ্বাচনৰ সময়ত প্ৰদান কৰা প্ৰতিটো প্ৰতিশ্ৰুতিয়েই চৰকাৰ দুখনে পালন কৰাত ব্যৰ্থ হৈছে। যি ভিজন ডকুমেণ্ট আৰু প্ৰতিশ্ৰুতি দি বিজেপিয়ে শাসনভাৰ দখল কৰিছিল, তাৰ সিংহভাগেই ৰূপায়ণ কৰা নহ’ল। জাতি-মাটি-ভেটি ৰক্ষাৰ প্ৰতিশ্ৰুতি দিয়া বিজেপিয়ে একাংশ হিন্দু বাংলাদেশীক নাগৰিকত্ব দিয়াৰ বাবেহে তৎপৰ হৈ পৰিছে। বাংলাদেশক মাটি নিদিওঁ বুলি কোৱা বিজেপিয়ে পিচত বাংলাদেশলৈ ভূমি হস্তান্তৰ কৰিলে। আনহাতে স্বাস্থ্য মন্ত্ৰী হিমন্তবিশ্ব শৰ্মাই কালি জনসভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সন্মুখত কাজিৰঙা, ছিপাঝাৰ আৰু পবিতৰাৰ পৰা বাংলাদেশী খেদা বুলি কৰা ভাষ্যক প্ৰত্যাহ্বান জনাই দেৱব্ৰত শইকীয়াই কয় যে যদি বাংলাদেশী খেদিছিলেই তেনেহ’লে ক’ত খেদিলে? বাংলাদেশীসকলক জালুকবাৰীত সংস্থাপন দিলে নে ডিটেনচন শিবিৰত ৰাখিলে নে বাংলাদেশলৈ খেদিলে। ছিপাঝাৰত যিসকল লোক উচ্ছেদিত হৈছিল, সেইসকল ভাৰতীয় নাগৰিক আছিল বুলি মন্তব্য কৰি শইকীয়াই কয় যে বান-খহনীয়াত ঘৰ হেৰুৱাইহে তেওঁলোকে তাত আশ্ৰয় লৈছিল। আনহাতে কাজিৰঙাত উচ্ছেদিত লোকসকলৰো ৬০ বছৰ পুৰণি তথ্য-পাতি আছিল। সোণোৱাল চৰকাৰে অসম চুক্তি ৰূপায়ণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি এতিয়া বিদেশী বিতাড়নৰ ভিত্তিবৰ্ষ ’৫১ চন হ’ব নে ’৭১ চন হ’ব, তাকে লৈ ৰাইজৰ মাজত বিভ্ৰান্তিৰহে সৃষ্টি কৰা বুলিও তেওঁ অভিযোগ কৰে। দেৱব্ৰত শইকীয়াই লগতে অভিযোগ কৰামতে অসম চুক্তি ৰূপায়ণত সম্পূৰ্ণ ব্যৰ্থ হৈছে সোণোৱাল চৰকাৰ। ভাৰত-বাংলাদেশ সীমান্তৰ ২০০.৫৫৩ কিলোমিটাৰ আন্তঃৰাষ্ট্ৰীয় পথৰ ভিতৰত অগপৰ দুটাকৈ কাৰ্যকালত নিৰ্মাণ হৈছিল মাত্ৰ ১৪.৪৭৭ কিলোমিটাৰ। হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন চৰকাৰৰ সময়ত ৯২.৬১৪ কিলোমিটাৰ পথ নিৰ্মাণ হোৱাৰ লগতে গগৈ চৰকাৰৰ পোন্ধৰ বছৰীয়া কাৰ্যকালত নিৰ্মাণ হৈছিল ৯৮.৪০২ কিলোমিটাৰ আন্তঃৰাষ্ট্ৰীয় পথ। কিন্তু সোণোৱাল চৰকাৰৰ এবছৰীয়া কাৰ্যকালত মাত্ৰ ৬০ মিটাৰ আন্তঃৰাষ্ট্ৰীয় পথৰ কামহে সম্পূৰ্ণ হৈছে। আনহাতে সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰা নিৰ্মাণৰ ক্ষেত্ৰত হিতেশ্বৰ শইকীয়া চৰকাৰৰ সময়ত ৯৫.৭১১ কিলোমিটাৰ, গগৈ চৰকাৰৰ কাৰ্যকালত ৩৬.৩১৮ কিলোমিটাৰ আৰু অগপ চৰকাৰৰ দিনত ৪৬.০৮ কিলোমিটাৰ বেৰা নিৰ্মাণ হৈছিল। কিন্তু সোণোৱাল চৰকাৰে বিগত এবছৰত নিৰ্মাণ কৰিলে মাত্ৰ ৬০ মিটাৰ কাঁটা তাঁৰৰ বেৰ। ইফালে বিজেপি চৰকাৰৰ বৰ্ষপূৰ্তি উদ্‌যাপনৰ পুঁজি সংগ্ৰহৰ বাবে চিমেণ্ট কোম্পানীৰ পৰা ধন লোৱা বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰি দেৱব্ৰত শইকীয়াই কয় যে ইয়াৰ বাবে শেহতীয়াকৈ অভাৱনীয়ভাৱে চিমেণ্টৰ মূল্য বৃদ্ধি পাইছে। চিমেণ্টৰ মূল্য বৃদ্ধি কৰিবলৈ সুযোগ পোৱা বাবে আনন্দত আত্মহাৰা হৈ চিমেণ্ট কোম্পানীয়ে মোডীৰ আগমনক লৈ ডাঙৰ ডাঙৰ বিজ্ঞাপন প্ৰকাশ কৰিছে। শৰাইঘাট আৰু ধলা-শদিয়া দলং নিৰ্মাণত কংগ্ৰেছৰ দিনত হোৱা বিলম্বৰ কাৰণ দৰ্শাই আজিৰ সংবাদমেলত দেৱব্ৰত শইকীয়াই জনোৱামতে ৰাজনৈতিক অস্থিৰতাৰ বাবে শৰাইঘাট দলং নিৰ্মাণত বিলম্ব হৈছিল। আনহাতে প্ৰাকৃতিক দুৰ্যোগৰ বাবে বিলম্ব হৈছিল ধলা-শদিয়া দলঙৰ নিৰ্মাণকাৰ্যত। উল্লেখযোগ্য যে আজিৰ সংবাদমেলত বিধায়ক আব্দুল খালেকো উপস্থিত থাকে।

মানুহৰ মনৰ মাজৰ চেনেহ দলং...

■ ***প্ৰথম পৃষ্ঠাৰ পৰা*** এনেবোৰ প্ৰসংগৰ প্ৰাধান্য বাঢ়ি আহিল। অৱধাৰিতভাৱে আহিল ‘চিয়াঙৰে গালং লুইতৰে খামতি’ বোলা গীতটিৰ প্ৰসংগও। কথাই কথাই ভূপেনদাৰ অমৰ গীতবোৰ গুণগুণাবলৈ সুবিধা পালে আৰু একো নলগা আমিবোৰে যেনেদৰে সেই অনন্য সৃষ্টিৰ মাহাত্ম্য আকৌ এবাৰ অনুধাৱন কৰি কৃতাৰ্থ, গৰ্বিতবোধ কৰিলো, তাৰ বিপৰীতে আন বহু গীতৰ মাজত এই বিশেষ গীতটিৰ অৰ্থ উপলব্ধি কৰিবলৈ আগেয়ে সুৰুঙা নোপোৱাসকল বিস্মিত হ’ল। সেই তাহানিতে, বহু অসমীয়াই নামকে নুশুনা একো একোটা চুবুৰীয়া জনগোষ্ঠীক লৈ ইমান সুন্দৰ, শুৱলা কথা এনে অপূৰ্ব উপলব্ধি! সঁচাকৈয়ে ভাবিলে আজিও বিস্মিত নহৈ নোৱাৰি।

আৰু আছে গান। টিৰাপ সীমান্ত...। য’ত টিৰাপ নৈৰ বুকুৰ বাঁহৰ ওলমা সাঁকোখনৰ ছবিখন আজিও মূৰ্ত হৈ আছে। আছে খুনচা বস্তিৰ বৰ্ণনা, লুংচাং-টাংচা খেতিয়কক আপোন কৰি লোৱা কথা। আৰু আছে নক্তে শিষ্যক নৰৰো উত্তম নৰোত্তম বুলি নামকৰণ কৰা কাহিনী, মানুহ মানুহ হ’লে— ইজনে সিজনক সাবটিলে জাতিকুল ভ্ৰষ্ট নহয় বুলি দিয়া শিকনি। একেদৰে ‘অৰুণ কিৰণ শিৰৰ ভূষণ/গলে হিমৰ ধল/পুৱাৰ সূৰুযে চুমা খোৱা দেশ/আমাৰ অৰুণাচল’ —সেয়াও ভূপেনদাৰেই গীতৰ কথা।

আলোচনাৰ শেষ নাই। শেষ নাই আমাৰ আৱেগৰ। ভূপেনদাই লিখিছিল— ব্ৰহ্মপুত্ৰৰ দুটি পাৰ দলঙে লগ লগালে, চন্দ্ৰৰ বুকুলৈ মানুহ যাবলে’ ওলালে— মানুহৰ মনৰ মাজত চেনেহ দলং গঢ়িবলৈ আমি অকণি ওলামেই, দলে দলে ওলামেই, ক’ৰবাত কেনেবাকৈ ডাঙৰসকল নোলালে। ...আজি দেশৰ সবাতোকৈ দীঘল দলংখনে তেওঁৰেই চেনেহৰ দুখন হাতক লগ লগোৱা, দুটি পাৰক লগ লগোৱা দেখি আৰু সেই সেতুক তেওঁৰ নামেৰেই মাতিবলৈ পাই আমি অনুভৱ কৰা সুখৰ মাজতো যেন তেওঁৰ মুখত বিৰিঙি উঠা শিশুসুলভ তৃপ্তিৰ সেই ধুনীয়া হাঁহিটোকেই আমি দেখিবলৈ পাইছো। আজি ভূপেনদা থকা হ’লে কিজানি ক’লেহেঁতেন— ‘এইখন অসম আৰু অৰুণাচলৰ মানুহৰ মনৰ মাজৰ চেনেহ দলং।’ কেন্দ্ৰৰ শোষণ, আমাৰ সম্পদ লুণ্ঠনৰ বাট অধিক প্ৰশস্ত কৰা আদি ক্ষোভ-অভিযোগবোৰ এদিনৰ বাবে হ’লেও পাহৰি তেনে কথাই ভাবিবলৈ মন যায়।

শদিয়াত জনম লৈ যাযাবৰ হোৱা ভূপেনদাই কেঁচুৱা হৈ থাকোতেই ‘হেৰাই গৈ’ অৰুণাচলী মহিলাৰ পিয়াহ খাইছিল। পৰৱৰ্তী কালত প্ৰথমখন অৰুণাচলী ৰঙীন ছবি ভূপেনদাই নিৰ্মাণ কৰিছিল। মেৰা ধৰম মেৰী মা। এতিয়া দুলুংগাঁৱত স্থাপন হ’ব ভূপেনদাৰ প্ৰতিমূৰ্তি। তেনেবোৰ কথাৰ পৰাই গৈ গৈ ওলাল, দলংখনক এইটো নাম দিবৰ বাবে মহান অসমীয়া লেখক য়েছে দৰজে ঠংচি ডাঙৰীয়াই বোলে প্ৰথমে প্ৰধানমন্ত্ৰীক চিঠি লিখিছিল। তাৰ পিচত অৰুণাচল চৰকাৰেও হেনো আনুষ্ঠানিকভাৱে দিল্লীলৈ প্ৰস্তাৱ পঠিয়াইছিল! সেই কথা শুনি বুকুখন ভৰি যোৱা সময়ত যি কথা মনলৈ আহিল, সেয়াও ভূপেনদাৰেই কথা। বহু দিনৰ মূৰত আকৌ যেন আজি পাহাৰে ভৈয়ামৰে কলিজা চিনিছে। চৰদুক্‌পেন আৰু টাংচাই, অকা আৰু ব’ৰীয়ে চেনেহ এনাজৰীৰে বাটি কাঢ়িছে!

হিজবুলৰ কমাণ্ডাৰসহ দহ সন্ত্ৰাসবাদীক হত্যা সেনাৰ

■ ***প্ৰথম পৃষ্ঠাৰ পৰা*** সন্ত্ৰাসবাদীৰ মূৰৰ বিনিময়ত দহ লাখ টকাৰ পুৰস্কাৰ সেনাই ঘোষণা কৰিছিল, সেইগৰাকী সন্ত্ৰাসবাদীক হত্যা কৰাটো ভাৰতীয় সেনাৰ বৃহৎ সাফল্য হিচাপে বিবেচিত হৈছে। কাশ্মীৰৰ পুলৱামা জিলাৰ ত্ৰাল এলেকাত আজি হোৱা সংঘৰ্ষত হিজবুল মুজাহিদীনৰ কমাণ্ডাৰসহ দুজন সন্ত্ৰাসবাদী নিহত হয়। নিহত ছবজাৰ আহমেদ আছিল হিজবুল মুজাহিদীনৰ পূৰ্বৰ কমাণ্ডাৰ বুৰহান ৱানিৰ ভাতৃ। শুকুৰবাৰৰ ৰাতিৰ পৰা কাশ্মীৰ উপত্যকাত চলা সংঘৰ্ষত অতি কমেও দহজন সন্ত্ৰাসবাদীক নিপাত কৰে নিৰাপত্তাৰক্ষীয়ে। হিজবুল মুজাহিদীনৰ শীৰ্ষ কমাণ্ডাৰগৰাকীৰ হত্যাৰ বাতৰি ৰাজহুৱা হোৱাৰ লগে লগে স্বতঃস্ফূৰ্তভাৱে বন্ধ পালিত হয় কাশ্মীৰ উপত্যকাত, স্কুলসমূহো বন্ধ কৰি দিয়া হয়। হিংসাত্মক ঘটনা সূত্ৰপাত ঘটাৰ আশংকাতে অধিকাংশ লোকে নিজৰ নিজৰ ঘৰলৈ ঢাপলি মেলাত বিভিন্ন চহৰত ব্যাপক যান-জঁটৰো সৃষ্টি হয়। অনন্তনাগকে ধৰি কমেও দহ স্থানত শ শ শিলাবৰ্ষণকাৰীয়ে আক্ৰমণৰ লক্ষ্য কৰি লয় আৰক্ষী তথা নিৰাপত্তাৰক্ষীক। শিলাবৰ্ষণকাৰীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হয় চি আৰ পি এফৰ এজন কমাণ্ডেণ্ট। সন্ত্ৰাসবাদীৰ সমৰ্থকসকলে ছ’চিয়েল মিডিয়াযোগে ছবজাৰ আহমেদ ভাটৰ হত্যাৰ প্ৰতিবাদৰ বাবে ৰাজহুৱা আবেদন জনোৱাৰ সময়তে চৰকাৰে পুনৰ ইণ্টাৰনেট সেৱা বাতিল কৰে সমগ্ৰ উপত্যকাত। উল্লেখযোগ্য যে ২৬ এপ্ৰিলৰ পৰা এমাহৰ বাবে ৰাজ্যখনত ফে’চবুক, হোৱাটছএপ, টুইটাৰকে ধৰি ২২ টা ছ’চিয়েল নেটৱৰ্কিং ছাইট বন্ধ কৰি দিছিল আৰু শুকুৰবাৰে ৰাতিৰ পৰাহে ইণ্টাৰনেট সেৱা পুনৰ আৰম্ভ হৈছিল উপত্যকাত। সেনাৰ নৰ্ডাৰ্ন কমাণ্ডাৰৰ সূত্ৰমতে শুকুৰবাৰে সন্ধিয়া পুলৱামা জিলাৰ ত্ৰালত টহলদাৰী ৰাষ্ট্ৰীয় ৰাইফলছৰ জোৱানৰ ওপৰত আক্ৰমণ চলায় সন্ত্ৰাসবাদীয়ে। সেনাই প্ৰত্যাক্ৰমণ কৰাত তুমুল সংঘৰ্ষৰ সূত্ৰপাত ঘটে। সন্ত্ৰাসবাদীসকলে নিকটৱৰ্তী চাইশু নামৰ গাঁও এখনত আশ্ৰয় লয় যদিও সমগ্ৰ গাঁওখন আগুৰি লয় সেনাই। তাৰ পাচত মাজনিশাৰ পৰাই আক্ৰমণ আৰম্ভ কৰে সেনাই আৰু শনিবাৰে পুৱাই গুলীয়াই হত্যা কৰে ছবজাৰসহ দুজনকৈ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীক। সেনাৰ সূত্ৰমতে শেষ মুহূৰ্তত ঘৰলৈ ফোন কৰি ছবজাৰে জনাইছিল যে সেনাবাহিনীয়ে তেওঁলোকক ঘেৰাও কৰি পেলাইছে। যদি কোনো ভুল তেওঁ কৰিছিল যাতে তেওঁক ঘৰৰ মানুহে ক্ষমা কৰি দিয়ে। আন এক সূত্ৰমতে ১৯-২০ মে’ত হিজবুল মুজাহিদীনৰ কমাণ্ডাৰগৰাকীৰ সন্ধান পায় ভাৰতীয় চোৰাংচোৱা সংস্থাই। আন এগৰাকী হিজবুল নেতা জাকিৰ মুছাই তেওঁৰ বিৰুদ্ধে বিযোদগাৰ কৰাৰ পাচত হুৰিয়ৎ নেতৃত্বৰে বুজাবুজি কৰাৰ উদ্দেশ্যে ছবজাৰে ১৯-২০ মে’ত শ্ৰীনগৰ ভ্ৰমণ কৰিছিল। তাৰ পাচৰ পৰাই ছবজাৰৰ গতি-বিধিৰ ওপৰত তন্ন তন্ন নজৰ ৰাখিছিল চোৰাংচোৱাই। ২০১৫ চনত এগৰাকী চি আৰ পি এফ জোৱানৰ পৰা ৰাইফল কাঢ়ি নিয়াৰ পাচৰ পৰাই আত্মগোপন কৰি আছিল ছবজাৰ আহমেদে আৰু ভাতৃৰ অধীনত হিজবুল মুজাহিদীনত যোগদান কৰে। বিগত বছৰৰ ৮ জুলাইত ভাতৃ বুৰহান ৱানি নিহত হোৱাৰ পাচত হিজবুল মুজাহিদীনৰ কমাণ্ডাৰ পদত ছবজাৰ আহমেদ অধিষ্ঠিত হয়, আন এগৰাকী প্ৰভাৱশালী সন্ত্ৰাসবাদী জাকিৰ মুছাই লাভ কৰে সাংগঠনিক দায়িত্ব। তাৰ পাচৰ পৰাই দুয়োজনৰ মাজত আৰম্ভ হয় শীতল যুদ্ধ। বিগত ২৪ ঘণ্টাত সেনাৰে সংঘৰ্ষত উৰিৰ কাষৰ ৰামপুৰ ছেক্টৰত নিহত হয় অতি কমেও ৬ সন্ত্ৰাসবাদী। ভাৰতত প্ৰৱেশৰ বাবে চেষ্টা কৰাৰ সময়তে সংঘৰ্ষৰ সূত্ৰপাত ঘটে। একে সময়তে ত্ৰাল ছেক্টৰত এঘৰ মানুহৰ ঘৰত আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীয়ে ৰাষ্ট্ৰীয় ৰাইফলছৰ জোৱানক উদ্দেশ্যি গুলীবৰ্ষণ কৰাৰ প্ৰত্যুত্তৰত সেনাৰ গুলীত নিহত হয় আন দুজন সন্ত্ৰাসবাদী।